# মাত্ৰাবৃত্ত

যি ছন্দত অৱস্থান নিৰ্বিশেষে যুগ্ম ধ্বনিৰ বিশ্লিষ্ট উচ্চাৰণ নকৰিলে ছন্দ পতন হয়, সেই ছন্দৰীতিয়েই হৈছে মাত্ৰাবৃত্ত। এই ছন্দৰীতিত প্ৰত্যেকটো অযুগ্ম ধ্বনি একমাত্ৰাৰ আৰু যুগ্মধ্বনি দুই মাত্ৰাৰ; সেইবাবেই ইয়াৰ ছন্দ বিশ্লেষণ সহজ আৰু যতিৰ ফালৰ পৰা ই সুস্পষ্ট আৰু সুস্থিৰ। যুগ্ম ধ্বনিৰ বিশ্লিষ্ট ব্যৱহাৰে ইয়াত বাক্‌তন্ত্ৰীৰ উত্থান-পতন তীব্ৰ কৰি তোলে আৰু যতিবোৰো স্পষ্টভাৱে অনুভূত হয়। এই তীব্ৰতা আৰু স্পষ্ট যতি বিভাগে প্ৰত্যেক পৰ্বতে একোটা তৰংগৰ সৃষ্টি কৰে। যুগ্ম ধ্বনিৰ অৱস্থান ভেদে ইয়াত বিভিন্ন প্ৰকাৰৰ লয় উদ্ভুত হয় আৰু সেইবাবে এই ছন্দত বিচিত্ৰ নৃত্যভংগীৰ আভাস দেখা যায়। শব্দৰ আৰু মাজৰ যুগ্ম ধ্বনিৰ ব্যৱহাৰে তৎসম শব্দৰো আধিক্য সূচায়। তৎসম শব্দৰ স্বাভাৱিক গাম্ভীৰ্যই এই কবিতাৰ নৃত্য-ছন্দত এটা সুমাৰ্জিত গাম্ভীৰ্যৰো সৃষ্টি কৰে।

বৈষ্ণৱ যুগৰ কাব্যধাৰাত এই ৰীতিৰ চানেকি বেছি পোৱা নাযায়। গুৰু ভটিমা, কিছুমান নাটৰ গীত আৰু বৰগীতেই মাত্ৰাবৃত্ত ছন্দৰ প্ৰাচীন উদাহৰণ। তদুপৰি এই

**প্ৰাচীন মাত্ৰাবৃত্ত**

প্ৰাচীন ৰীতিত বহুক্ষেত্ৰত সংস্কৃত ছন্দৰীতিৰে মাত্ৰা স্থাপন কৰাৰ প্ৰবৃত্তি দেখা যায়। কিন্তু অসমীয়া উচ্চাৰণ ৰীতিয়ে সংস্কৃত ছন্দৰ ৰীতি যে নামানে তাৰো উদাহৰণ তাতেই প্ৰত্যক্ষ। তাত আ, ঈ, উ, ও আদি দীৰ্ঘস্বৰসমূহ বিকল্পেৰে দুই মাত্ৰা ধৰা হৈছিল।

| | | | | | | |
|---|---|---|---|---|---|---|
| ‖ I | I ‖ | I I | \| | ‖ I | ‖ I | I I |
| ঠাট | প্ৰকট | পটু | \| | কোটি | কোটি | কপি \| |
| | I I | I I I I | | I I | I I | |
| | গিৰি | গৰগৰ | | পদ | ঘাৰে \| | |
| ‖ I I | I I | I I | \| | I I | I I I I | I I |
| বাৰিধি | তীৰ | তৰি | \| | কৰে | গুৰুতৰ | গিৰি \| |
| | I I I I | | | I I I I | I I | |
| | ধৰি ধৰি | | | সমৰক | ধাৰে \| | |

ইয়াত 'ঠাট' শব্দৰ 'ঠা' দুই মাত্ৰাৰ, কিন্তু 'ঘাৰে' আৰু 'ধাৰে'-ৰ ঘা আৰু ধা একমাত্ৰাৰ। 'বাৰিধি'ৰ বা দুই মাত্ৰাৰ কিন্তু 'তীৰ'ৰ 'তী' দীৰ্ঘস্বৰ হোৱা সত্ত্বেও একমাত্ৰাৰ।

সংস্কৃত ৰীতিৰ লগত মিশ্ৰিত এই ছন্দৰীতিক ছান্দসিকসকলে প্ৰত্ন-মাত্ৰাবৃত্ত ৰীতি নাম দিছে। এতিয়াও গীতৰ ক্ষেত্ৰত ছন্দৰ পূৰ্ণতাৰ বাবে হ্ৰস্ব-দীৰ্ঘ নিৰ্বিশেষেও দুই মাত্ৰা ধৰিব লগা হয়। অপভ্ৰংশ প্ৰাকৃততো মাত্ৰা সংস্থাপনৰ এনে দ্বিত্ব ব্যৱহাৰ দেখা যায়—

**অসমীয়া কাব্যত মাত্ৰাবৃত্ত**

| | | |
|---|---|---|
| । ।। । ।। ।   ।। । । ।। । | | |
| মোইলি মচ্ছা। নালিছ্ গচ্ছা | । | = ৭ মাত্ৰাৰ পৰ্ব |
| ।। ।।   ।। ।   ।।   । । ।। । | | |
| দিজ্জই কান্তা। খাই পুনৰন্তা | । | = ৭ মাত্ৰাৰ পৰ্ব |

তথাপি, সন্ধ্যাভাষাত ৰচিত চৰ্যাপদৰ ছন্দৰীতি বৈষ্ণৱ যুগতকৈ দৃঢ়তৰভাৱে সংস্কৃতানুগামী।

দৰাচলতে অসমীয়া সাহিত্যত মাত্ৰাবৃত্ত ছন্দ প্ৰয়াস নৱন্যাসৰ হে দান। অসমীয়া ছয় মাত্ৰাৰ পয়াৰ জাতীয় ছন্দতে (দুলড়ী জাতীয় ছন্দ সজ্জা) যুগ্ম ধ্বনিৰ বিশিষ্ট ব্যৱহাৰযুক্ত পৰ্ব একোটা চকুত পৰে। সেইবোৰ দৰাচলতে যৌগিক ৰীতিৰ পৰা মাত্ৰাবৃত্ত ৰীতিলৈ অসমীয়া ছন্দৰ যাত্ৰাপথৰ চানেকি।

| | | | | | |
|---|---|---|---|---|---|
| ।। । | ।। । | | । । ।। | ।। | |
| শান্ত | সৌম | । | সুকোমল | তনু | । |
| । । | । । ।। | | । । । | । । | |
| তুমি | বলোৰাম | । | অথবা | শিৱ | । |
| ।। | । । ।। | | ।। | । । ।। | |
| কিম্বা | পুণ্যশ্লোক | । | নল | অৱতাৰ | । |
| । । । । | । । | | । । । | । । | |
| প্ৰিয়ম্বদা | তুমি | । | সবাৰে | পিয় | । |

—শৈলধৰ ৰাজখোৱা

ইয়াত **শান্ত** আৰু **সৌম্য** শব্দ দুটাৰ যুগ্ম ধ্বনি বিশ্লিষ্ট কিন্তু **পুণ্যশ্লোক প্ৰিয়ম্বদাৰ** যুগ্ম ধ্বনি সংশ্লিষ্ট। এই উদ্ধৃতিৰ প্ৰথম পৰ্বটো যৌগিকৰ শান্ত প্ৰবাহত দৰাচলতে মাত্ৰাবৃত্তৰ এটা ঢৌ হে। মাত্ৰাবৃত্তৰ প্ৰকৃত স্বৰূপ উপলব্ধি নোহোৱাৰ বাবে অসমীয়া কবিয়ে মাত্ৰাবৃত্ত ছন্দতো মাজে মাজে যৌগিক পৰ্বৰ ব্যৱহাৰ কৰে।

| | | | | | | |
|---|---|---|---|---|---|---|
| । । ।। । | | ।। ।। । । | | । । । । ।। ।। | | ।। |
| আছে মহানিধি | । | বিশ্বৰ বিধি | । | আজি তাৰে সিদ্ধি | / | বস্তু |

তথাপি বিশুদ্ধ ৰূপৰ মাত্ৰাবৃত্ত ছন্দৰ চানেকি অসমীয়াত অলেখ। এই যুগৰ কবিৰ

অন্তৰৰ বাণীয়ে শ্ৰোতাৰ অন্তৰ জয় কৰোঁতে মাত্ৰাবৃত্তৰ ছন্দ হিল্লোলৰ সহায় অকুণ্ঠভাৱেই গ্ৰহণ কৰিছে। উদ্দীপনাময়ী কবিতাৰ বাবে ই উপযুক্ত বাহন।

এইতো নহয় | হাঁহি খেমালিৰ | ভাগৰ জুৰোৱা | গান

(ইয়ে) জীৱন মৰণ | একাকাৰ কৰা | অগ্নি বীণাৰ | তান

—অম্বিকাগিৰি ৰায়চৌধুৰী

আখৰৰ সংখ্যাৰে যদিও ইয়াত আমাৰ প্ৰাচীন দুলড়ীৰ দৰে ৬ ৬ ৮ টাকৈ মাত্ৰা পোৱা যায়, তথাপি যুগ্ম ধ্বনিৰ বিশ্লিষ্ট উচ্চাৰণে ইয়াত এনে হিল্লোল তুলিছে যিটো সাধাৰণ দুলড়ীত পোৱা নাযায়। যেনে ঃ

পাচে ত্ৰিনয়ন | দিব্য উপবন |

দেখিলন্ত বিদ্যমান || ৬ ৬ ৮

ফল ফুল ধৰি | জক মক কৰি |

আছে যত বৃক্ষমান || ৬ ৬ ৮

ইয়াত ধ্বনি বিন্যাস গতিশীল কিন্তু স্পন্দিত নহয়। ছান্দসিকৰ ভাষাৰে অম্বিকাগিৰি ৰায়চৌধুৰীৰ উদ্ধৃত কবিতাটি ষণ্মাত্ৰিক চতুপৰ্বিক মাত্ৰাবৃত্ত আৰু তাৰ শেষৰ পৰ্বটো অপূৰ্ণ। বন্ধনীৰ মাজত থকা (ইয়ে) হ'ল অতিপাৰ্বিক পৰ্ববহিৰ্ভূত ধ্বনি। এটা চৰণ শেষ কৰি উঠি, অৰ্থাৎ যতিৰ পিছত দ্বিতীয় চৰণ আৰম্ভ কৰাৰ আগতে মাজৰ সেই শূন্য সময়খিনিৰ ভিতৰতে সেই ধ্বনি উচ্চাৰিত হয়। সাধাৰণতে দুটাতকৈ বেছি অতিপাৰ্বিক ধ্বনি থকাটো সম্ভৱ নহয়। এই ধ্বনি উচ্চাৰণ গীতৰ 'আহিঁ'ত কৰা উচ্চাৰণৰ লগত তুলনীয়।

অতি পাৰ্বিক ধ্বনি

মাত্ৰাবৃত্তৰ একোটা পৰ্বত চাৰিতকৈ কম মাত্ৰা সংস্থাপন সম্ভৱ নহয়। দুই বা তিনি মাত্ৰাৰ শেষত যি যতি পৰে সি অনুযতি হে। ধ্বনি প্ৰবাহে তাক সদায় সহজে অতিক্ৰম কৰি যায়। গতিকেই মাত্ৰাবৃত্তত পৰ্বৰ ন্যূনতম মাত্ৰা সংখ্যা হ'ল চাৰি। চাৰি মাত্ৰাৰ অন্তৰে অন্তৰে যতি পৰাৰ গতিকে এনে পৰ্ব বিন্যাস লয় অতি দ্ৰুত হয়।

মাত্ৰাবৃত্তৰ পৰ্ব বিন্যাস

| | | | |
|---|---|---|---|
| ॥ ॥ | ॥ ॥ | ॥ ॥ | ॥ ॥ |
| যৌৱন | যৌৱন | সৃষ্টিৰ | মৌবন |
| ।।।। | ।।।। | ।।।। | ।। |
| অনাগত | জীৱনৰ | অনাহত | গান |
| ॥ ॥ | ॥ ॥ | ॥ ॥ | ॥ ॥ |
| মন্দাৰ | সৌৰভ | স্বৰ্গৰ | গৌৰৱ |
| ।।।। | ।।।। | ।।।। | ।। |
| ধূলিভৰা | ধৰণীত | মাধুৰীৰ | বাণ |

ই চতুর্মাত্রিক পর্ব বিন্যাস। প্রত্যেক চৰণৰ শেষ পর্বটো ৬ মাত্ৰাৰ বুলি ধৰা হৈছে। দৰাচলতে এই ৬ মাত্ৰা ৪+২ এনেভাৱেই পোৱা গৈছে। কিন্তু সেই ক্ষেত্ৰত ৪ মাত্ৰাৰ যতি স্থাপন কৰিলে আবৃত্তিৰ ভংগীটো যান্ত্ৰিক হৈ পৰে। গতিকেই ৪ মাত্ৰাৰ অন্তত থকা যতিত সামান্য মূল্য দি পিছৰ দুই মাত্ৰাৰ অপূৰ্ণ পৰ্বটোলৈ কণ্ঠস্বৰ গুচি আহে। পূৰ্ণ আৰু অপূৰ্ণ পৰ্বৰ এনে বিজড়িত অৱস্থাত তাক অতিপূৰ্ণ পৰ্ব হিচাপে গ্ৰহণ কৰিব পাৰি। অৱশ্যে চাৰি মাত্ৰাতেই স্থাপন কৰি পিছৰ দুই মাত্ৰা অপূৰ্ণ ধৰিলে ছন্দ বিশ্লেষণৰ ফালৰপৰা একো হানি নহয়।

অতিপূৰ্ণ পৰ্ব

পাঁচ মাত্ৰাৰ পৰ্ববিন্যাস অসমীয়াত অলপ বিৰল। অপূৰ্ণ পৰ্বৰ কথা এৰিলে সমগ্ৰ চৰণটোতে পাঁচ মাত্ৰাৰ পৰ্বৰ বেছি সাক্ষাৎ পোৱা নেযায়।

পঞ্চমাত্ৰিক পৰ্ব

| | | | |
|---|---|---|---|
| ।।। | ॥ | ।।। | ॥ |
| নাজানো | কোনে | মাতিছে | মোক |
| । ॥ | । ॥ | ।। ॥ | |
| মেঘৰ | লগত | যাবলৈ | |
| ॥ । | ।। | ।।। | ॥ |
| নুবুজোঁ | কোনে | গাইছে | গান |
| ।।। | ।।। | ।।।। | |
| বতাহে | বতাহে | অকলৈ | |

—ৰত্নকান্ত বৰকাকতী

ইয়াতো প্ৰত্যেক চৰণৰ প্ৰথম দুটাহে পঞ্চমাত্ৰিক। বাকী দুটা ক্ৰমে ষণ্মাত্ৰিক আৰু অপূৰ্ণ। অৱশ্যে ছয় মাত্ৰা আৰু সাত মাত্ৰাৰ পৰ্বযুক্ত চৰণত অন্তিম পৰ্বটো পঞ্চমাত্ৰিক ৰূপত পোৱাৰ চানেকি অলেখ ঃ

। ॥      ॥ ।      |      ॥ ।      ॥ ।
প্ৰকাশ      পাইছে      |      চন্দ্ৰ      সূৰ্য্য

। ॥      । । ।      |      । ॥      ॥
প্ৰকাশ      পাইছে      |      বনম      ফুল

। । ॥ ॥ | । ॥ ॥
ই জীৱন কিয় | গোপন গুহ্য।

। ।।।      । ।      |      । ॥ ॥
জীৱনৰ      ইকি      |      ঘটিল ভুল।।

—ৰত্নকান্ত বৰকাকতী।

। । ।      । ॥      |      । ॥      । ॥ ।      |      । ॥      । ॥
সাদৰী      তোমাৰ      |      কোমল      হিয়াৰ      |      বিপুল      প্ৰেমৰ

। ॥      ॥      ॥
নীৰৱ      দান      ॥

॥ ॥      ॥      |      ॥      । ।      । ।      |      ॥ ।      । ॥
উত্তৰ      তাৰ      |      মোৰ      এই      মাথোঁ      |      অৰ্থ      বিহীন

॥ ।      ॥      ॥
ছন্দ      গান      ॥

—দেৱকান্ত বৰুৱা

অসমীয়া কবিতাত সৰহ ভাগ মাত্ৰাবৃত্তৰ পৰ্ব ষণ্মাত্ৰিক। ষণ্মাত্ৰিক পৰ্ব বিন্যাসে পৰ্বমধ্যস্থ অনুযতিত লয় তীব্ৰতৰ কৰি তোলে বাবে দুটা যুগ্মধ্বনিযুক্ত তৎসম শব্দৰ প্ৰয়োগ তাত বেছি হয়। দুলড়ীৰ তলৰ নৃত্য ভঙ্গীটো তৎসম শব্দৰ এনে ব্যৱহাৰে গুৰু গম্ভীৰ কৰি তোলাৰ বাবেও অসমীয়া কবিয়ে সহজতে ষণ্মাত্ৰিক পৰ্ব বিন্যাসৰ সূচনা কৰে; কাৰণ দুলড়ী নৃত্যভঙ্গীযুক্ত ছন্দসজ্জা। আনকি পাঁচ মাত্ৰাৰ পৰ্বতে আৰম্ভ কৰিও ছন্দ কুশল কৰিয়ে ছয় মাত্ৰালৈ যাত্ৰা কৰে। দেৱকান্ত বৰুৱাই সেই বাবেই

ষণ্মাত্ৰিক পৰ্ব

'সাত সাগৰ মণি। লাখ হীৰাৰ খনি।'

আদি আপাতঃ দৃষ্টিত যৌগিক বিন্যাসক

সপ্ত সাগৰ। মণি
লক্ষ হীৰাৰ। খনি

লৈ ৰূপান্তৰিত কৰে।

অসমীয়া ছন্দ বিবৰ্তনৰ এই ধাৰাৰ হেতুকেই মাত্ৰাবৃত্তৰ সৰহভাগ নিদৰ্শনতেই ছয় মাত্ৰাৰ পৰ্ববিন্যাস বেছিকৈ দেখা যায়।

| | ||  ||  |  || ||  | ||  |
আকাশৰ  ফুল  |  আকাশত জহে  |
|| ||  ||  |  | | |  | |  ||
সন্ধান  তাৰ  |  কোনেনো ৰাখে  ||
| | ||  | |  |  | |  | |  ||  |
মৰতত  সৰে  |  এটি  দুটি  পাহি  |
| |  | | |  |  | ||  ||  ||
ধূলি  মাকতিত  |  লুকাই  থাকে  ||

—দেৱকান্ত বৰুৱা

|| |  || |  |  | ||  | ||  |
এইতো বৰ্ষা  |  ঋতুৰ সোঁতত  |
|| |  || |  |  | ||  |  ||  |
ধৰাত হৰ্ষ  |  চকুৰ লোতক  |
| ||  | ||  |  | ||  |
উটাই  বুৰাই  |  ঢালিছা  |
| ||  | ||  |  |  ||  |
(আহা) লুকাই লুকাই  |  খেলিছা  |

—ৰত্নকান্ত বৰকাকতী

|  ||  | ||  |  |  ||  |  | ||  |  |  ||
ৰাণীৰ  ওঁঠত  |  ফাটিকা  |  এটুপি  |  পি  ||
||  ||  ||  |  | ||  | ||  |  |  |
যুগ বহু শত  |  আছিলোঁ নিঢাল  |  দি  |
|| | |  ||  |  || |  | ||  |  || | | ||  |  ||  ||
স্বপ্ন বিভোৰ  |  তন্দ্ৰা হালুক  |  মত্ত চিতাৰ  |  পাল  ||
| ||  | ||  |  | ||  | ||  |  | ||  | ||  |  ||  |
ৰঙাই বোলাই  |  চৰিল কিমান  |  অবুজ বেথাৰ  |  জাল  |

—অম্বিকাগিৰি ৰায়চৌধুৰী

সাত মাত্ৰাৰ পৰ্ব যথেষ্ট বিৰল। প্ৰাকৃত সংস্কৃত আদিতো হেনো এনে বিন্যাসৰ নজিৰ কম। অসমীয়া কবিৰ ভাব প্ৰকাশৰ ফালেহে আগ্ৰহ বেছি। ছন্দৰ বৈচিত্ৰ্যৰ পৰীক্ষা দৰাচলতে কম। অসমীয়া গীত দুটা এটাত তেওৰা আদি তালৰ ব্যৱহাৰ সুচল কৰিবৰ বাবে এনে ছন্দবিন্যাস দেখা যায়।

সপ্তমাত্ৰিক পৰ্ব

| ।॥ ॥ ॥ | । । । ॥ ॥ | । । । । । । । |
প্ৰাণৰ বাটে বাটে | কতনা ধূলিকণা | মনৰ ঘাটে ঘাটে |

। ॥ ॥
কিমান ঢল। |

। ॥ ॥ । । | । । । ॥ ॥ | । ॥ ॥ ॥ |
আকাশ বৰণীয়া | কত সপোন মায়া | তোমাক ঘেৰি ধৰি |

। ॥ ॥
ব্যাকুল হ'ল।। |

—নৱকান্ত বৰুৱা

আঠ মাত্ৰাৰ পৰ্ব বিন্যাস এক প্ৰকাৰ অসম্ভৱেই। পৰ্বত আঠ মাত্ৰা থাকিলে সি চাৰি মাত্ৰাৰ দুটা পৰ্বত খণ্ডিত হৈ যায় কাৰণ আঠ মাত্ৰা পৰিমাণৰ সময় বাক্‌তন্ত্ৰীৰ প্ৰবাহ অক্ষুণ্ণ হৈ থকা সম্ভৱপৰ নহয়। সেইবাবে আঠ মাত্ৰাৰ যুগ্ম পৰ্ব হয়তো পোৱা যায়; কিন্তু সাধাৰণ পৰ্ব পোৱা নেযায়। আপাতদৃষ্টিৰ আঠ মাত্ৰা দৰাচলতে ৪+৪ বা ৬+২ মাত্ৰাৰ যোগফল হে।

॥ । । ॥ | । । |
সপ্ত সাগৰ | মণি | =৬+২

। । । । ॥ | ॥ |
লক্ষ হীৰাৰ | খনি | =৬+২

—দেৱকান্ত বৰুৱা

। ॥ । ॥ ॥ | ॥ ॥ | ॥ । |
স্বপ্ন লাটুম স্মৃতি | বেহেলাৰ | ভলগা

ইয়াৰ প্ৰথম পৰ্বটো আঠ মাত্ৰা যেন লাগিলেও দৰাচলতে সি

॥ । । | ॥ । । |
স্বপ্নলা | টুম স্মৃতি

এনে ধৰণৰ (৪+৪=৮) আঠ মাত্ৰাৰ যুগ্ম পৰ্ব।

অষ্ট নৱ দশমাত্ৰিক পৰ্বৰ সম্ভাৱনা

ন আৰু দহ মাত্ৰাৰ পৰ্ব বিন্যাসৰ ক্ষেত্ৰতো একে কথা। কেতিয়াবা ন মাত্ৰা যেন লাগিলেও আচলতে তেনেবোৰ পৰ্ব ছয় মাত্ৰাৰ আৰু তিনি মাত্ৰাৰ যুক্ত পৰ্ব। দহ মাত্ৰাৰ ক্ষেত্ৰত ৬ আৰু ৪ মাত্ৰাৰ যুক্ত পৰ্ব। মনে শব্দৰ (Words) অনুধাবন কৰে যদিও, কাণে তাত ধ্বনি সাম্যৰ হে সন্ধান বিচাৰে।